# অৰ্পিতাৰ এৰাতি

**দেৱব্ৰত দাস**

খিৰিকী কাষৰ এজনীয়া ছীট দুটা জোৰা দি পতা বিছনাখনৰ একোণত বহি থুঁতৰিত হাত, চকু বাহিৰত, চকুত উদাসীনতা, বিষণ্ণতাও বুলিব পাৰি নেকি; ইপিনে দবাটোৰ ভিতৰত কোনে কি কৰি আছে তাৰ পিনে ছোৱালীজনীৰ অকণো কৌতূহল নাই। শাড়ীৰ অদৰকাৰী আঁচলখন কান্ধৰ ওপৰেৰে টানি নি শৰীৰৰ উৰ্ধ্বাংগ কৃপণতাৰে ঢাকি লৈ—আনকি ভৰিপতাখনো শাড়ীৰ পাতলিৰ সম্পূৰ্ণ আন্ধাৰত—এটা অলপ ঔদাৰ্য তাইৰ সম্পূৰ্ণ অৱয়ৱত অৱস্থিত—এটা সমৰ্পণৰ ভাব। দবাটোৰ ভিতৰত থিতাপি লৈ উঠাৰ পিছত প্ৰথমবাৰৰ বাবে তাইক মন দি চাওঁতেই তাইৰ মুখভংগীত ফুটি উঠা চৰম সমৰ্পণৰ ভাবটোৱে মোক আকৃষ্ট কৰে। মই মনে মনে ঠিক কৰোঁ কেতিয়াবা এই ছোৱালীজনীক লৈ গল্প লিখিলে তাইৰ নাম থ'ম—অৰ্পিতা। অৰ্পিতা কি? গাংগুলীনে আচাৰ্য, ৰায়নে মজুমদাৰ? কাৰণ ইতিমধ্যে তাইৰ দেউতাকৰ মুখত বঙালী মিহলোৱা হিন্দী (ভাত আনি দিয়া খানচামাটোৰ সৈতে ভাতৰ লগত দিয়া মাছৰ স্বাস্থ্য সম্পৰ্কীয় উত্তপ্ত বিতৰ্কৰ পৰা) শুনি মই নিশ্চিত যে ছোৱালীজনী মানে অৰ্পিতা, শাড়ী পৰিহিতা ছদ্মৱেশী অসমীয়া নহয়, তাই সঁচাই বঙালী। অসমীয়াই হওক বা বঙালীয়ে হওক, তাই মূলতঃ এজনী ছোৱালী, মোটামুটিকৈ ধুনীয়া এজনী ছোৱালী আৰু তাই বৰ্তমান অন্য এক পৃথিৱীত বিচৰণৰতা, পাৰিপাৰ্শ্বিকৰ প্ৰতি সম্পূৰ্ণ অন্যমনস্ক, চুপচাপ খিৰিকীৰে বাহিৰৰ আন্ধাৰত এনে এক বিন্দুত মনোনিৱেশ কৰাত ব্যস্ত, তাই যাক অতি

Scanned with OKEN Scanner

সহজে ইনফিনিটী নাম দিব পাৰি। তাইৰ এই অন্যমনস্ক সৌন্দৰ্যই চুম্বকৰ দৰে মোৰ মনৰ কৌতূহলী অংশটোক টানি নিলে। মই চাৰমিনাৰ হুপি হুপি তাইৰ পিনে একেথৰে চাই পৰি ৰ'লো মোৰ বাবে নিৰ্দিষ্ট থ্ৰী টায়াৰৰ মাজৰ বিছনাখনত। এনেতে কিৰনে বাথৰুমৰ পৰা উভতি আহি মোৰ মনোনিৱেশ ভাঙিলে "কি ঐ, তই এতিয়াই লাংখালিচোন? ইমান সোনকালে শোবনে?"

এই গল্পটো আচলতে মোৰ আৰু অৰ্পিতাৰ গল্প। মই নায়ক, অৰ্পিতা নায়িকা। আমাৰ বাহিৰে আন কাৰো কথা এই গল্পত থকা অনুচিত। অৱশ্যে দিগদাৰি এইখিনিতে যে ঘটনা বৰ্ণাবলৈ অৱশ্যম্ভাবীভাৱে কেইটামান অদৰকাৰী চৰিত্ৰ আহি পৰে, যাৰ উপস্থিতি গল্পটোত হয়তো তিমান দৰকাৰী নহয়, অথচ ইহঁতৰ কথা নক'লেও ঘটনাটো পোনপটীয়াকৈ বৰ্ণাব নোৱাৰি। এনেকুৱা অদৰকাৰী-অনাহূত চৰিত্ৰবোৰৰ ভিতৰত এটা হ'ল কিৰন দেৱনাথ, মোৰ বন্ধু, একে অফিচতে কাম কৰোঁ আৰু অফিচৰ কামতেই আমি এয়া ট্ৰেইনত উঠি আন এখন চহৰলৈ গৈ আছো। হঠাতে যাবলগীয়া হ'ল, ইপিনে ৰিজাৰ্ভেছন নাই— গতিকে দৰকাৰ পৰিল দুই নম্বৰ অদৰকাৰী চৰিত্ৰৰ মানে কৃষ্ণৰ। কৃষ্ণ আমাৰ চুবুৰিৰে। তেনেই ডেকা ল'ৰা। অলপতে এন এফ ৰে'লৱেত সোমাইছে— টি.টি.আই। ষ্টেছনত তাক দেখা মাত্ৰেই মোৰ উৎফুল্ল মন, হেঁচা-ঠেলাকৈ যাব নালাগে আজি। কৃষ্ণ আছে যেতিয়া বহিবলৈ হ'লেও ৰিজাৰ্ভেছনত ছীট দুটা অন্ততঃ পাম। ভাগ্যে দেখা গ'ল সেইদিনা ট্ৰেইনত ভিৰ এনেয়ে সেৰেঙা আৰু কৃষ্ণই ইপিনে-সিপিনে ঘূৰি আমাক থ্ৰী টায়াৰ দবাটোৰ দুটা ছীট মানে দুখন বিছনা যোগাৰ কৰি দিলে। এৰাতিৰ বাবে শুবলৈ চাৰে পাঁচ টকাকৈ দুটা ছীটৰ এঘাৰ টকা হয়। মই তাক তিনিখন পাঁচ টকীয়া নোট দিলো। সি মোক ভঙনীয়াখিনি ওভতাই দিবলৈ পাহৰিলে। ট্ৰেইন ষ্টেছন এৰাৰ পিছত ক'লা ইউনিফৰ্ম পিন্ধা আন এজন টিকট চেকাৰে আমাক ৰিজাৰ্ভেছনৰ শ্লিপ এখন লিখি দি গ'লহি। গল্পটোৰ চাৰি নম্বৰ আৰু শেষ অদৰকাৰী চৰিত্ৰ অৰ্পিতাৰ দেউতাকে খানচামাটোৰ সৈতে দীৰ্ঘ তৰ্ক-বিতৰ্কৰ পিছত তেতিয়াও বাহিৰলৈ চাই ৰোৱা জীয়েকক সোনকালে শুবলৈ আৰু আন আন খুচুৰা উপদেশ দি আৰু উত্তৰত হুঁ-হা আদি মনোচিলেবল শুনি জীয়েকৰ বিছনাৰ ওপৰৰ বাংকত উঠি অলপ পিছতে নাকেৰে প্ৰমাণ দিলে যে তেওঁ দুৰ্ঘোৰ টোপনিত। কিৰনৰ বাহিৰে আনকেইটা অদৰকাৰী চৰিত্ৰৰ উল্লেখো ইয়াতেই শেষ।

Scanned with OKEN Scanner

কিৰনক ক'লো যে অহাকালি যথেষ্ট কাম কৰিবলগীয়া আছে। চহৰখনত আমাৰ অফিচৰ শাখা অফিচটোৰ সমস্ত ডকুমেণ্ট, ফাইল-পত্ৰ চালিব-জাৰিব লাগিব। আজৰি সময় পোৱা যায়নে নেযায়, তাৰ ঠিকনা নাই গতিকে আড্ডা দি আধা ৰাতি শেষ কৰাতকৈ থ্ৰী টায়াৰত জেগা পাইছো যেতিয়া সোনকালে শুই পৰাই বুদ্ধিমানৰ কাম। কিৰনে ভাল ল'ৰাৰ দৰে মোৰ উপদেশ মানি তলৰ বাংকটোত ততালিকে শুই পৰিল। সঁচা কথা ক'বলৈ হ'লে মোৰ তেতিয়ালৈ অকণো টোপনি ধৰা নাছিল। ইচ্ছা কৰাহ'লে অথবা আন ঠাইত হোৱাহ'লে কিৰনৰ সৈতে মই আৰামত এঘণ্টা-দুঘণ্টা আড্ডা দিলোহেঁতেন। কিন্তু ঠিক সেইটো সময়ত সেইটো পৰিৱেশত এজনী ধুনীয়া ছোৱালীৰ বিষণ্ণ আকৰ্ষণীয়তা একমনে উপভোগ কৰাৰ লোভত মই কিৰনৰ লগত আড্ডা মৰাৰ লোভ সামৰিলো।

কোনো পৰীক্ষাৰ ৰিজাল্ট আউট হোৱা নাই। তেন্তে কেলেই অৰ্পিতা আজি এই নিথৰ ৰাতি ট্ৰেইনৰ ঝিক্‌ঝিক্ শব্দৰ মাজত, দবাত শুই থকা আন আন যাত্ৰীবোৰৰ নিঃশব্দ উপস্থিতি আওকাণ কৰি একমনে উদাসীনা বিষণ্ণ বদনা? তাইৰ বেদনা নিতান্তই ব্যক্তিগত নেকি? যেনেকৈ ধৰা যাওক— কোনোবা চতুৰ প্ৰেমিকে হেজাৰ ৰঙীন অংগীকাৰ, নিৰৱচ্ছিন্ন প্ৰেমৰ প্ৰতিজ্ঞা তুচ্ছতাৰে ভাঙি দূৰলৈ আঁতৰি গৈছে তাইৰ পৰা, অথবা তাইৰ বিবাহ প্ৰস্তাৱত কিবা বিঘিনি ঘটিছে অলপতে, মাক-দেউতাকৰ সাধৰ কোনোবা পাত্ৰই তাইক দেখি পছন্দ কৰিও অসম্ভৱ এটা পৰিমাণৰ বৰ-পণ দাবী কৰি বহি থকাৰ ভংগীত, তাইৰ প্ৰতি সমস্ত অবিচাৰৰ ফলত ওপজা যি অভিমান তাৰ উৎস সেই সুগভীৰ দুখৰ কস্তুৰীৰ প্ৰকৃত স্বৰূপ কেনেকুৱা তাৰ বিভিন্ন অল্টাৰনেটিভে মোৰ মগজ তোল-পাৰ লগাই থাকিলেও কেতিয়া ক'ব নোৱাৰো মোৰ দুচকু এসময়ত জাপ খাই আহিল টোপনিত। তেতিয়াও অৰ্পিতা আগৰ দৰেই একেথৰে বহি খিৰিকীৰে বাহিৰলৈ চাই আছে। বহুত আগেয়েই দবাটোৰ লাইটবোৰ নুমাই দিয়া হৈছে। মাজে মাজে নীলা বাল্‌ববোৰ জ্বলি আছে। দবাটোত নীলা আলোক! নীলা হেনো বিষাদৰ ৰং, মোৰ এজন চিত্ৰকৰ বন্ধুৱে কৈছিল এদিন। নীলা ৰং গালে-মুখে সানি লৈ ছোৱালীজনী বহি আছিল অলপ অসাৱধান ভংগীত। সেই দিনালৈ ৰাতি শোৱাৰ আগলৈ এইটোৱেই মোৰ শেষ স্মৃতি। নীলা ৰং আৰু অৰ্পিতা। বিষাদ আৰু অৰ্পিতা। দুয়ো একেলগে। মই শুই পৰিলো।

Scanned with OKEN Scanner

সেই ৰাতি মোৰ দুবাৰ টোপনি ভাগিছিল। প্ৰথমবাৰ এটা অদ্ভুত শব্দ শুনি মই উঠি পৰো। এটা ফোপনিৰ শব্দ। শব্দটো অৰ্পিতাৰ বিছনাৰ পৰা। চকু মেলি চাই দেখো অৰ্পিতাই বেৰৰ পিনে মুখ কৰি শুই আছে আৰু ফোপাই ফোপাই উচুপি আছে (নিকট প্ৰিয়জনৰ মৃত্যু? পৰীক্ষাত অসফলতা? ঠগ প্ৰেমিকৰ পৃষ্ঠভংগনে বিবাহত বিঘিনি?) এজনী অচিনাকি ছোৱালীক ৰাতি সকলোৱে শুই থকা অৱস্থাত সান্ত্বনা দিবলৈ যোৱাটো কিমানদূৰ যুক্তিসংগত হ'ব ঠিক কৰিব নোৱাৰি মই আকৌ টোপনি গ'লো। মনৰ একোণত অৱশ্যে তাইৰ উচুপনি বন্ধ কৰিবলৈ একো কৰিব নোৱৰাৰ বাবে অস্বস্তি এটা ৰৈ গ'ল।

দ্বিতীয়বাৰ এনেয়েই টোপনি ভাগিল। ৰাতি কেইটা চাবলৈ বাওঁহাত দাঙোতেই অৰ্পিতাৰ বিছনাৰ পিনে চকু গ'ল—সৰ্বনাশ! বিছনা খালী। এই ৰাতিখন ছোৱালীজনী ক'লৈ গ'ল? বাথৰুমলৈ? এৰা বাথৰুমলৈ যাব পাৰে। মনৰ পৰা উদ্‌গ্ৰীৱতা দূৰ হোৱাত কোঠাটোৰ ইপিনে-সিপিনে চকু ফুৰালো। অৰ্পিতাৰ দেউতাক টোপনিত লালকাল। কিৰনো। দুই-তিনি মিনিটমান বাট চালো। তাৰ পিছত অৰ্পিতা উভতি নহাত এইবাৰ মই নিজেই বিছনাৰ পৰা নামি পৰিলো। বাথৰুমৰ পিনলৈ খোজ ল'লো।

দৃশ্যটো দেখিয়েই মোৰ বুকুখন চিৰিংকৈ গ'ল। বাথৰুমৰ ওচৰৰ দবাটোৰ দুৱাৰখন খোলা। দুৱাৰৰ ৰড এডালত খামুচি ধৰি বিপজ্জনকভাৱে ওলমি আছে অৰ্পিতা। হাতৰ মুঠি নামমাত্ৰ শিথিল কৰিলেই তাই তৎক্ষণাত জোৰেৰে বাহিৰলৈ, ঘণ্টাত কমেও চল্লিছ-পঞ্চাছ মাইল বেগে ধাৱমান ট্ৰেইনখনৰ পৰা সৰি যোৱা অৱস্থাত। জীৱন আৰু মৃত্যুৰ মাজত ওলমি থকা অৰ্পিতাৰ শৰীৰটো দেখিয়েই প্ৰথম যিটো উপলব্ধিয়ে মোৰ মনত বিজুলীৰ দৰে ছাট মাৰি ধৰিলে, সেইটো হ'ল আত্মহত্যা! ছোৱালীজনীয়ে আত্মহত্যা কৰিব ওলাইছে। অথচ তেতিয়াও মোৰ আৰু তাইৰ মাজত এটা কৰিডৰৰ অনতিক্ৰম্য ব্যৱধান। মই লৰি গৈ তাইক বাধা দিম তাৰ উপায় নাই। তদুপৰি এইমাত্ৰ টোপনিৰ পৰা উঠি অহা মোৰ সম্বিতে আকস্মিক এনে এটা ভয়ংকৰ দৃশ্য সন্মুখীন হৈ হতভম্ব হৈ গৈছে। মই তৎক্ষণাত দৌৰি গৈ তাইক কোঠাৰ ভিতৰলৈ টানি আনিব লাগে এই দায়িত্বৰ কথা সম্পূৰ্ণ পাহৰি গৈছো মই। এটা কৰুণ মৃত্যুৰ একমাত্ৰ নিৰ্বাক অসহায় দৰ্শকৰ ভূমিকালৈ পৰ্যবসিত অসহায় মোৰ চকুৰ সন্মুখতে পিছ মুহূৰ্ততে কিন্তু এটা ব্যতিক্ৰম ঘটি গ'ল। দুৱাৰৰ ৰডডালত খামুচি দবাৰ বাহিৰত ওলমি

থকাৰ পৰা অৰ্পিতা এইবাৰ ভিতৰলৈ সোমাই আহিল। দুয়ো হাতেৰে খামুচি ধৰিলে ৰডডাল। মুঠি দুটাৰ ওপৰত মূৰটো লুকুৱাই তাই উচুপিব ধৰিলে। আত্মহত্যাৰ বাবে যিমানখিনি দুঃসাহস দৰকাৰ তাৰ অভাৱবোধ কৰিয়েই নেকি তাই এইবাৰ উচুপিব ধৰিলে। দুৰ্ঘটনাটো নঘটিল। মোৰ উশাহ-নিশাহ আকৌ আৰম্ভ হ'ল।

ইমানপৰে মূৰ্তিবৎ থিয় হৈ থকা মই এইবাৰ আগবাঢ়ি গ'লো। তাইৰ কান্ধত হাত থ'লো। তাই চকুপানী ভৰা মুখ তুলি মোৰ পিনে চালে। মই মোৰ চকুলৈ যিমান পাৰো কৰুণা, দয়া, বাৎসল্য আদিৰ ছাপ আনিবলৈ চেষ্টা কৰিলো। অৰ্পিতাই মোৰ পিনে চায়েই মোক দুহাতেৰে সাবটি ধৰি হুক্‌হুকাই কান্দিব ধৰিলে। মোৰ কান্ধখন এতিয়া তাইৰ শৰীৰৰ আশ্ৰয়। মোৰ হৃদয়খন তাইৰ সমস্ত বেদনাৰ। মই আশ্ৰয়দাতাৰ ভূমিকাত অভিনয়ৰ বাবে নিজকে উপযুক্ত কৰিবলৈ প্ৰাণপণে চেষ্টা চলাই গ'লো। লাহে লাহে তাইৰ চুলিৰ ওপৰেৰে হাত বুলাই গ'লো। মাজে মাজে তাইৰ কান্ধৰ ওপৰেৰে। তাই তেতিয়াও হুক্‌হুকাই সমস্ত শৰীৰ আৰু বেদনাৰ ভাৰ এজন দয়ালু অচিনাকিৰ আশ্ৰয়ত এৰি দি তাইৰ অসফলতাৰ বাবে পশ্চাদপট ব্যস্ত। মই তিমানপৰে এক মহতী আত্মালৈ উত্তীৰ্ণ। মই যেন ধৰাৰ সমগ্ৰ দুখী মানৱতাৰ বেদনা মোৰ বিশাল বুকুৰে শুনি লৈছো। এনেকৈয়ে পৃথিৱীৰ সমস্ত লাঞ্ছিত-প্ৰবঞ্চিতজনে যেন মোৰ নিৰ্ভয় আশ্বাসৰ পৰাই মুক্তিৰ সন্ধান বিচাৰি পাইছে। বিচাৰি পাইছে— আত্মহত্যাৰ বিকল্প, নতুন জীৱন ধাৰণৰ বাবে সংগ্ৰামৰ প্ৰস্তুতি। মই আৱেগত জোৰেৰে অৰ্পিতাক সাবটি ধৰিলো। আমাৰ দুয়োৰে মাজত কোনো কৈফিয়ৎ বা আশ্বাসবাণীৰ বিনিময় হোৱা নাই। আমি দুয়ো দুয়োৰে সান্নিধ্যত চুপ-চাপ। নিশ্চুপ উপস্থিতি মাত্ৰেই আমাৰ দুয়োৰে বাবে যথেষ্ট।

আমি দুয়ো দুয়োকে আঁকোৱালি লৈ নিৰ্বাক থিয় হৈ ৰ'লো। বাথৰুমৰ কাষত কৰিডৰত। তাইৰ বাবে এইখিনি জনাই যথেষ্ট যে তাই দুখুনীৰ বাবে নিষ্ঠুৰ জগতত এজন অন্ততঃ সহানুভূতিশীল বাকী আছে আৰু মই ভণ্ডৰ বাবে এইখিনিয়ে যথেষ্ট যে মই আন একো কৰিব নোৱাৰিলেও অন্ততঃ এটা দুখী আত্মাৰ স্বস্তি সংগ্ৰহত সহায় কৰি দিব পাৰিছো। আচৰিত কথা ইমান এটা ডাঙৰ ঘটনা ঘটি গ'ল অথচ দবাৰ আন কোনোৱেই সাৰ নাপালে। অহাকালি কিৰনক যেতিয়া এই অদ্ভুত ঘটনাটোৰ কথা ক'ম সি অবাক হৈ যাব, আচৰিত হৈ যাব।

তাৰ টোপনি নভগাৰ বাবে আৰু ছোৱালীজনীক ভালকৈ লক্ষ্য নকৰাৰ বাবে আপছোচ কৰিব। তাৰ পিছত লাহে লাহে ঘটনাটো পাহৰি পেলাব।

মই মোৰ বিছনাৰ পৰা আকৌ তাইৰ পিনে চালো। ধুমুহাৰ পিছত শান্ত লেণ্ডস্কেপৰ দৰে নিশ্চিন্তভাৱে তাই শুই পৰিছে এক অদ্ভুত সন্তুষ্টিৰ ভাব মুখত লৈ। মোৰ টোপনি নাহিল কিন্তু। গৰম লাগিছিল। পাঞ্জাবীটো খুলি গাৰুৰ ওচৰত থৈ আকৌ বাগৰ দিলো। পাঞ্জাবীটোত লাগি থকা অৰ্পিতাৰ লিপষ্টিক, পাউডাৰ আৰু ঘামৰ সানমিহলি গোন্ধে মোক আমনি কৰিব ধৰিলে। আকৌ অৰ্পিতাৰ পিনে চকু গ'ল—এটা শিশুৰ দৰে তাই শায়িত। শৰীৰতো এক ধৰণৰ নিৰ্দোষ সৌন্দৰ্যসনা। বেদনাৰ ছাপ নামমাত্ৰও নাই এতিয়া। তাইৰ নিৰ্বিকাৰ আনন্দত গভীৰ প্ৰশান্তি।

নিচেই ৰাতিপুৱাতে আমাৰ গন্তব্য স্থান পালোগৈ। আমি বিছনা-পত্ৰ লৈ নামি গ'লো। অৰ্পিতা তেতিয়াও নিশ্চিন্তমনে টোপনিত লালকাল। দেউতাকে তাইৰ ভৰি-পথানত বহি নিৰ্বিকাৰ মিক্সাৰ হুপি আছে। মই আৰু কিৰণ দুয়ো কুলীটোৰ পিছে পিছে গে'ট অভিমুখে। হঠাতে কি খেয়াল হ'ল মই এনেয়ে উভতি চালো আমাৰ দবাটোৰ পিনে। খিৰিকীত অৰ্পিতাৰ মুখ। ইতিমধ্যে টোপনিৰ পৰা তাই সাৰপাই উঠি বহিছে। খিৰিকীৰে ঠিক মোৰ পিনেই চাই আছে তাই। তাইৰ চকুৱে চকুৱে পৰিলো। তাইৰ মুখত এটা অদ্ভুত অভিব্যক্তি। মই ধৰা পৰি গ'লো। তাইৰ চকুত কি বাৰু সেয়া? মোৰ বাবে ধন্যবাদনে মই মনে মনে পলাই অহা বাবে তাচ্ছিল্য-উপহাস? তাইৰ দৃষ্টিৰ ভাষাৰ পাঠোদ্ধাৰ মই কৰিব নোৱাৰিলো। এনেকৈয়ে এইখিনিতে গল্পৰ পৰা মোৰ তথা নায়কৰ প্ৰস্থান।

বৰ্ণিত ঘটনাটোৰ বিশ্বাসযোগ্যতা সম্পৰ্কে অকণমান দিগদাৰি থাকি গ'ল। আন সকলোৱে বিশ্বাস কৰিলেও গল্পটো পঢ়ি উঠি কিৰনে কিন্তু অবিশ্বাস হাঁহি মাৰিব, ক'ব "ভাল গাজা মাৰিছ দেই—মই তোৰ লগতেই থাকিলো—ইমানখন কাণ্ড ঘটি গ'ল—অথচ মই তাৰ ভুকে নাপালো। ঘটনাটো ভাল সাজিছ দেই।" লগে লগেই মই কৈ উঠিম—"নহয় নহয়, এই ঘটনাটো মনে সজা নহয়। ঘটনাটো সঁচাকৈয়ে..." মোক শেষ কৰিব নিদি সি পুনৰ কৈ উঠিব—"অন্ততঃ মোৰ আগত এনেকুৱা গাজা নামিৰিবি বুইছ। সঁচা হোৱাহ'লে ঘটনাটো ঘটনাৰ ঠিক পিছ দিনাই তই কমচে কম মোৰ আগত দোহাৰিলিহেঁতেন দেচোন। ঘটনাটো নিশ্চয় তোৰ মনে সজা।" মই তেতিয়া এটা চালাকি হাঁহি

মাৰি তাক উত্তৰ দিম এইবুলি— "বুইছ দোস্ত, মানুহৰ জীৱনত কেতিয়াবা কেতিয়াবা এনে একোটা আপুৰুগীয়া ঘটনা ঘটি যায়, যিবোৰৰ আবেদন একমাত্ৰ নিজৰ ওচৰতহে; আনকি শ্ৰেষ্ঠতম বন্ধুৰ সৈতেও এনে ঘটনাৰ আমেজ ভগাই ল'ব নোৱাৰি। এতেকেই"...

এসময়ত ছাত্ৰ জীৱনতে এই পৃথিৱীৰ পৰা, এই দেশৰ পৰা, দুখ-দাৰিদ্ৰ আঁতৰোৱাৰ প্ৰয়াসত যথেষ্ট কিবাকিবি কৰিছিলো—বাগানে বাগানে, কল-কাৰখানাই ঘূৰিছিলো। কামৰূপ, লখিমপুৰৰ বানপানী ভাঙি দৰিদ্ৰ খেতিয়ক-শ্ৰমিকৰ মাজলৈ গৈ বিচাৰিছিলো। এই দুখৰ উৎস ক'ত? এতিয়া সেইবোৰ ল'ৰা-ধেমালি যেন লাগে। এতিয়া মই চৰকাৰী চাকৰিয়াল। আৰামত মন-মজ্জা-বিবেক সকলো বিক্ৰী কৰি আৰামত দিন পাৰ কৰি আছো। তথাপি মাজে মাজে দুখী আৰ্ত মানৱতাৰ বাবে কিঞ্চিৎ কিবা কৰিবলৈ পালে কিজানি আত্মসন্তুষ্টি লভিব পাৰো, সেয়ে এই উপৰোক্ত ঘটনাটো পঢ়িলো—দুখুনী অৰ্পিতাৰ আশ্ৰয়দাতা সান্ত্বনাদাতাৰূপে নিজকে সজাই চালো—কিৰনহঁতে বিশ্বাস কৰক নকৰক, গল্পত বৰ্ণোৱাৰ দৰে সেই ৰাতি এনে এক ঘটনা ঘটা হ'লে মই কিজানি অৰ্পিতাক সান্ত্বনা দিবলৈ পাই গভীৰ প্ৰশান্তি লভিলোহেঁতেন। অৱশ্যে মাজৰাতিখন একোঠা শুই থকা মানুহৰ অনুপস্থিত উপস্থিতিত এজনী গাভৰুৰ সতে ঠিক তেনেকুৱা ব্যৱহাৰ কৰাৰ সৎ সাহসখিনি মোৰ বাবে যে নাই সেয়া সন্দেহৰ কথা। মই হয়তো আত্মহত্যা কৰিবলৈ ওলোৱা অৰ্পিতাৰ ভুলখিনি, তাইৰ লাজখিনি নীৰৱতাৰে লুকুৱাই ৰাখিব নগৈ হুলস্থুল লগাই দিলোহেঁতেন আৰু মোৰ হুলস্থুল শুনি আগ-পিছ নুগুণি অৰ্পিতাই হয়তো সঁচা-সঁচিকৈ ট্ৰেইনৰ পৰা জাঁপ মাৰি দিলেহেঁতেন।

# এটা নতুন প্ৰজাতিৰ জন্ম-যাতনা

'বৰ ভোক লাগিছে।' পাক-ঘৰৰ কাঁথিত উঠি তাই ক্ষীণ মাতেৰে ক'লে। চোতালৰ ছাঁখিনিত বহি কিবা কাম কৰি আছে বুঢ়া মানুহজনে। সৰু দা এখন, মিহিকৈ চাঁচি উলিওৱা বাঁহৰ কামি আৰু বেতৰ সূত, এইবোৰৰ কাষতে এটা বাও ভগা খৰাহি। তাৰ মানে, মেৰামতিৰ কাম। তাই 'বৰ ভোক লাগিছে' বুলি ক'বলৈহে পালে, মানুহজনে শুনিলে— মেও! আৰু তৎমুহূৰ্তে মূৰ তুলি চাই ডবিয়াই উঠিল। হেই! ভাগ্!!

ভাগ্—ভাগ্—ভাগ্!!!

ঐ বাপুকণ, খেদ—খেদ—খেদ।'

ল'ৰাটোৱে বাওঁ ভৰিখন এহাতেৰে ধৰি সোঁভৰিৰে জঁপিয়াই আছে। বুঢ়াজনৰ পিনে দুই জাঁপ আগুৱাই সি সুধিলে— 'কাক ককা? কাক খেদিম?'

'সেইটোক। তোৰ নাকৰ তলেদিয়ে নেগুৰ জোকাৰি জোকাৰি ভিতৰ পালেহি, দেখা নাই? খেদ তাক এতিয়াই।'

বুঢ়াৰ কাণ তাল মৰা ধমকিটো শুনি তাই থৰ লাগি তেওঁলৈয়ে চাই আছিল। যেই একঠেঙীয়া ল'ৰাটো দুইঠেঙীয়া হৈ দুপ্দুপাই খেদি আহিল, একেলৰে তাই চোতালৰ সিমূৰ পালেগৈ। ল'ৰাটোও বিৰক্ত। 'কাৰ ঘৰৰপৰা বা আহিছে এইডাল!' 'এই ঘৰত যেন নোসোমায়।' বুঢ়াজনে কামি এছটা টোৱাইছে ল'ৰাটোৰ পিনে। তাৰ মানে, যদি সোমায়, কামিছটাৰে তাকেই দিব সাৰৌপ সাৰৌপ কোব।

ভাগৰুৱা খোজেৰে তাই ভড়ালৰ পাছফালে গ'ল আৰু ছাঁখিনিত বহি ল'লে। দায়িত্বজ্ঞানহীন গিৰিয়েকটোলৈ চাৎকে' মনত পৰিল। লগে লগে টিকিছ্-বিকিছ্কৈ খংটো উঠি গ'ল। পেট-পখৰা! পদূলি শুঙা! টেলেকা চকুৰা! তোৰ কাৰণেইতো মই পুৰণা ঘৰটো এৰি আহিলো। এতিয়া? এতিয়া তই হাৰা। তোক যদি লগ পাওঁ, এনেকুৱা শিক্ষা দিম নহয়, এনেকুৱা শিক্ষা—'

কেনেকুৱা শিক্ষা দিব, এই মুহূৰ্ততে তাইৰো ধাৰণা নাই। কিন্তু শিকনি এটা যে দিব, খাটাং।

তাইৰ পুৰণা ঘৰখন বৰ ভাল আছিল। তাতো এজন বুঢ়া আছিল। এনেকুৱা

খঙাল নহয় সেইজন। কেতিয়াবা ডবিয়াইছিল। চেকনিও জোকাৰিছিল। কিন্তু, পাক-ঘৰত নোসোমাওঁতেই সোমোৱা বুলি বদনাম গোৱা নাছিল। মাত-কথাবোৰ অলপ বেলেগ ঠাঁচৰ আছিল। ভাল। বেছ ভাল। এইজন বুঢ়াই চিধাই ভাগ্ বুলি কয়। সেইজনে 'যা' বুলি কৈছিল। 'কি মেও মেও কৰি থাক? খকুৱানী! যা। চিকাৰ ধৰগৈ।...'

'চিকাৰ' শব্দটো মনত পৰাৰ লগে লগে তাইৰ চকুহাল তিব্‌বিৰাই উঠিল। অ'তো, চিকাৰ ধৰিও তাই দেখোন পেটৰ ভোক নুমুৱাব পাৰে। পুৰণা ঘৰখনত তাই সদায় ভাত পাইছিল। নিগনি, শলিয়া, পঁইতাচোৰা— এইবোৰ খাইছিল মাজে-সময়ে। এদিনতো ডাঙৰ কাণ্ড এটাই ঘটিব ধৰিছিল। বেং গিলি থকা সাপ এটাৰ ওপৰতে জাঁপ দিব খুজিছিল। ঘৰৰ বুঢ়াজনে হাহাকাৰ কৰি উঠিল। '—এই মুগী, কি কৰ? কি কৰ? মুগী— মুগী— মুগী, আহ— আহ। এক খোঁটত মৰি যাবি, বুজা নাই?' সেইখন ঘৰতে যে তাই জন্মিছিল, খুব মৰম কৰিছিল সেইকাৰণে। চব জীৱই যে চিকাৰ নহয়, বুজায়ো দিছিল।

মুগীয়ে নিজকে নিজে ক'লে— 'মই এতিয়াৰ পৰা চিকাৰ ধৰি খাম। যদিহে কোনেও ভাত নিদিয়ে, তথাপি মই জীয়াই থাকিম। পেটৰ পোৱালিকেইটাৰ কাৰণে মই বাচি থাকিব লাগিব। সিহঁতক ডাঙৰ-দীঘল কৰিম। বাপেকটোৰ দৰে মই সিহঁতক অনাথ নকৰো। সইত— সইত— সইত, তিনি সইত।

তিনি সইত সিয়ো খাইছিল। সেই পেট-পখৰাই। ৰাতিৰ জোনটোক সাক্ষী কৰি, শেৱালিজোপা, দুবৰি বন, নিয়ৰ, কুঁৱলিক সাক্ষী কৰি সি কথা দিছিল। সি বোলে মোক কেতিয়াও দুখত নেপেলায়। ছাঁটোৰ দৰে লগে লগে থাকিব।...

ভাবোতে-চিন্তোতে দিনটো শেষ হৈ গ'ল। লেম-চাকি জ্বলিল। নুমাল। পুৰণা ঘৰটোত লাইট নাছিল। এই ঘৰটোত এই লাইট জ্বলে-চাকি নুমায়, এই চাকি জ্বলে-লাইট নুমায়। এতিয়া পূৰাপূৰি আন্ধাৰ।

তেনেতে ভড়াল-ঘৰটোৰ ভিতৰত দুপ্‌দুপ-দাপ্‌দাপ শব্দ। নিগনি নে শলিয়া? ৰ বেটাহঁত, তহঁতৰ দুপ্‌দুপনি মই বন্ধ কৰি দিম।...

নেজৰ আগটো সামান্য দাঙি তাই খোজ ল'লে। একেজাঁপে চাংখনত উঠিল। অলপ কষ্ট হয়। পেটটো গধুৰ যে। তথাপি উঃ আঃ কৰা নাই। চকুহাল ঘূৰাই ঘূৰাই চালে— কোন পিনেদি ভিতৰ সোমোৱা যায়।

আছে এটা বাট। ঠেক হয় নেকি? তাই মোচকোছা সুমুৱাই চালে। এইটোৱেই নিয়ম। ফাঁক এটা তাইৰ বাট হ'বৰ বাবে জোখৰ হয় নে নহয়, পৰীক্ষা কৰি চোৱাৰ

এটা বিজ্ঞানসন্মত পদ্ধতি। মুখখন সোমাইছে ঠিকেই। কিন্তু, পেটটো সোমোৱাৰ আশা নাই। তলে-ওপৰে পিটপিটকৈ চাই দেখিলে—আছে এটা জোখৰ বাট। সাৱধানে উঠিব লাগিব।

ধীৰে সুস্থিৰে বগুৱা বাই উঠি গ'ল। তাৰ পিছত সন্তৰ্পণে ভিতৰত সোমাল। বাপ্‌ৰে বাপ্‌ৰে বাপ্! নিগনি চাবি, নে শলিয়া চাবি? নাই। নিগনিৰে নহ'ব আজি। বৰ ভোক। শলিয়া এটাকে বধো। ল'লে চোপ। দিলে এটা দীঘল জাঁপ। ক'ত সাৰিবি? বুঢ়াৰ হাতৰ চেঙেলী। ধৰিলোৱেই নহয় তোক।

শলিয়াৰ ডিঙিত কামুৰি তাই ওলাবৰ যো-জা কৰিছে। ওজন আছে। কম ধান খাইছেনে? উলিয়াই নিয়াটোৱে টান। নিবই লাগিব। বৰ ভোক। কোনোমতে ওলাই গৈ বাৰীৰ ভিতৰত বহি ল'ব। তাৰ পিছত পেট ভৰাই খাব।

কেঁকো-জেঁকোকৈ ওলাল যেনিবা। কিন্তু, বৰ ভাগৰ। ইপিনে, ভোক। বাৰীৰ ভিতৰত নোসোমাওঁ আৰু। এইখিনিতে বহা যাওক।

খাই আছে। এনেকুৱা খাদ্য খাওঁতে সময় লাগে। ৰন্ধা বস্তুহে খৰ্‌কৈ খাব পাৰি। চিন্তা নাই। এতিয়াও বহুপৰ আছে পোহৰ হ'বলৈ।

হাড় চোবাওঁতে কুটুৰ্-কাটাৰ্ শব্দ হৈছে। বুঢ়া শলিয়া। তাই বৰঘৰটোৰ দুৱাৰখনলৈ ভয়ে ভয়ে একোবাৰ চাইছে। বাঁহৰ দুৱাৰ। তাইৰ পুৰণা ঘৰটোতো এনেকুৱা দুৱাৰ আছিল। শলখা লগাই বন্ধ কৰে। কোন বা থাকে দৰ্জাৰ ওচৰত? খঙাল বুঢ়াজন নে ল'ৰাটো? এখন ঠেঙেৰে জঁপিয়াই জঁপিয়াই খেলা ল'ৰাটোও কম নহয়। দুখন ঠেঙেদি কেনেকৈ খেদা মাৰি আহিছিল!

কেৰেক্‌কৈ খোল খাই গৈছে দুৱাৰখন। তাই চক্ খাই উঠিল। টৰ্চ জ্বলাই ওলাল কোনোবা এটা। পোহৰটো তাইৰ গাত পৰিব লাগিলে হ'ল আৰু। তাইতো আন্ধাৰতো দেখে। দেখিলেই। সেইয়া খঙাল বুঢ়া। পাছফালে যাব চাগে'। পেচাপ কৰিব। পুৰণা ঘৰৰ বুঢ়াজনো ৰাতি ওলাইছিল। পাছফালে এপাক গৈ আকৌ শোৱে। এই বুঢ়াজন দেখোন ইপিনেহে আহি আছে? হাতত সেইডাল সৌকা, নে ৰামটাঙোন? কিয় আহে এইপিনে? আহিয়ে আছে। মোক জৰুল দেখা পাইছে। কি বা জগৰ লাগিল! শলিয়াটো পোহনীয়া শলিয়াহে আছিল নেকি!

য'ৰে শলিয়া ত'তে এৰি মুগীয়ে পলাই পত্ৰং দিলে। কোনোপিনে আৰু চোৱা নাই। দৌৰ-দৌৰ-দৌৰ। একেবাৰে বাৰীৰ ভিতৰত জোপোহা এটাৰ আঁৰতহে ৰ'লগৈ। ঘূৰি চালে। নাই। খঙাল বুঢ়া এইপিনে অহা নাই।

ইস্। এইখিনিত থাকিব নোৱাৰি। হাবিয়ে-বনে, গোবৰে-জাবৰে একাকাৰ।

অলপ মুকলিলৈ যাব লাগিব। তাই দুখোজ আহে আৰু চকু ঘূৰাই ঘূৰাই চায়। জানোচা টাঙোন হাতত লৈ চুকে কোণে খাপ পিতি বৈয়ে আছে!

নাই। কোনপিনে বা গ'ল! আধা খোৱা শলিয়াটোৰ চিন্তাতকৈ খঙাল বুঢ়াৰ চিন্তাটোহে ডাঙৰ হৈ উঠিছে। পুৰণা ঘৰটোত নিগনি, শলিয়া মাৰিলে ভাল পাইছিল। এইটো ঘৰত বা কেনেভাবে লয় কথাটো?

এনেকুৱা আঁতি-গুৰি নোহোৱা কথাবোৰ ভাবোতে-চিন্তোতে বহুত সময় পাৰ হ'ল। পুবৰ আকাশখন বিলাহী-মাছৰ জোলখিনিৰ দৰে ৰঙীন হৈ উঠিল। বৌজনীয়ে চেৰেক্ চেৰেক্কৈ চোতাল সৰাত লাগি গ'ল। সাৰি সাৰি ভড়ালটোৰ ওচৰ পালেগৈ। সেইটো আকৌ কি। ডালশলিয়া নহয় নে? হয় হয়, ডালশলিয়াই হয়। উলাহতে তাই চিঞৰি উঠিল— 'অ' বাপুকণ! অ' মাইকণ! এইটো কি পৰি আছে চাহি।'

ভাল পাইছে দেই বৌজনীয়ে! খঙাল বুঢ়াইহে কেনে পায় বা! তেওঁকো মতাহেঁতেন ভাল আছিল। কেনেকৈ নো চিঞৰি চিঞৰি মাতিব? শহুৰেক নহয় জানো? ভাল মানুহৰ ভাল কথা, ভাল ব্যৱহাৰ। পুৰণা ঘৰটোতো ভাল ব্যৱহাৰ দেখিছিলো। মোৰ পোৱালিকিটাক এনেকুৱা ব্যৱহাৰ-পাতি শিকামেই শিকাম।...

ল'ৰা-ছোৱালী-ডেকা-বুঢ়া বিছনাৰ পৰা উঠি আহিছে। মুগীও গা ঢকা দি থিয় হ'লহি। কিনো কয়, শুনিব লাগিব। আটায়ে আচৰিত হৈছে। ইমান মস্ত শলিয়া! চাপনী মেকুৰীজনীয়ে মাৰিছে নেকি! সাপে ধৰা নাই। সিহঁতে মঙহ এৰুৱাই নাখায়। গিলেহে। কুকুৰো নহয়। ভড়ালৰ ভিতৰত কুকুৰ কেনেকৈ সোমাব? মেকুৰীজনীৰে কাম এইটো। ভাল চিকাৰী দেই।

খঙাল বুঢ়াজনে টাঙোনডালত ভৰ দি ক'লে— 'এই কাৰণেই মেকুৰীৰ দৰকাৰ। বিশেষকৈ খেতিয়কৰ ঘৰত। বছৰি বছৰি কমবোৰ ধান নষ্ট কৰে নিগনি, শলিয়া, এন্দুৰে?

বৌজনীয়ে মিহি মাতেৰে কৈছে— 'আজি তাইক মাছ-ভাত খুৱাম দেই।' জৰুল গিৰিয়েক আৰু শহুৰেকৰ অনুমতি পাবৰ বাবে কৈছে তেওঁ। খঙাল বুঢ়াজনে গহীনাই ক'লে— 'ওহো। সেইটো নহ'ব। আলাসতে খাদ্য পালে তাই চিকাৰ কৰিব কিয়? ভোক ৰাখি ৰাখি খাবলৈ দিবি।'

কথাখিনি অলপ কঠুৱাই। কিন্তু আগৰ তুলনাত ভালেখিনি কুমলিছে। মুখখনো হাঁহো হাঁহো। তাইক বিচাৰিছেও দেখোন তেওঁৰ ওচৰত।— 'তাই ক'ত এতিয়া? শলিয়াটো নাখায়হি কিয়?' ইপিনে-সিপিনে ডিঙি মেলি চাই চাই মাতিব ধৰিছে— 'মেও—মেও—মেও। আহ—আহ। খাই ল।' মুগী এখোজ-দুখোজকৈ আহি

আছে।— 'আহ—আহ। খাই ল তোৰ শলিয়াটো।'

বোৱাৰীয়েকক কৈছে— 'জাগাডোখৰ পিছত গোবৰ-মাটিৰে মচি দিবি।' বৌজনীয়ে মিহি মাতেৰে ক'লে— 'তাইক নাম এটা দিব লাগিব। বৰণটো মুগা। মুগী নামটোৱে ভাল হ'ব, নহয় নে?'

আচৰিত। পুৰণা ঘৰটোতো তাইক মুগী বুলি মাতিছিল। এই নামটো যে মৰমত দিয়া নাম, তাই আজিহে ভালকৈ বুজিছে। ডাল-শলিয়াটো কামুৰি তাই বাৰীৰ পিনলৈ গ'ল। তাৰ পিছত নিৰ্ভয়ে খাবলৈ ধৰিলে।

চিকাৰ চলি থাকিল। নিগনি, শলিয়াহঁতৰ কিজানি মিটিং পাতি বুদ্ধি পাঙিবলগীয়া অৱস্থা। মেকুৰীৰ ডিঙিত কেনেকৈনো টিলিঙা আঁৰা যায়। বেছ কিছুদিন চোপ লৈ লৈ এদিন এন্দুৰ এটাও ধৰিছে তাই। হৃষ্টপুষ্ট এন্দুৰ। কিন্তু, ডেকা-বুঢ়া দুয়ো সিদ্ধান্ত ল'লে যে, এন্দুৰটো পুতি থোৱাই ভাল। যিহে মন্ত, মুগীৰ বমি হ'ব। সেইদিনা ঘৰত মুৰ্গীৰ মাংস ৰান্ধিছে। তাইক বাৰাণ্ডাৰ এমূৰত পেট পূৰাই খাব দিলে। বৌজনীয়ে আগতেও শহুৰেকৰ চকুত নপৰাকৈ তাইক মাছ-ভাত খুৱায়। এতিয়া পৰিস্থিতিটো এনেকুৱা, দেখাদেখিকৈ দিলেও কিজানি খঙাল বুঢ়াই ধমক্ নলগাব। কিনো খঙাল বুঢ়া— খঙাল বুঢ়া কৰি আছো? মণীয়ে নিজকে শাসন কৰিলে। বোৱাৰীয়েকক বৌ কওঁ। পুতেকক ককাই। বুঢ়াজনক দদাই বুলিলেনো কি হয়? একো দোষ-জগৰৰ কথা নহয়। এতিয়াৰ পৰা তেওঁ মোৰ আপোন দদাই।

০ ০ ০

মুগী এতিয়া মাক। তিনিটা ধুনীয়া ফুটুকা-ফুটুকী পোৱালি। মতা পোৱালিটোৱে অবিকল বাপেকৰ চেহেৰাটো পাইছে। বগা ৰঙৰ ওপৰত ক'লা ৰঙৰ গোল গোল কেইটামান ছাপ। মাইকী পোৱালিহালৰ বৰণ সামান্য বেলেগ। বগা ৰঙৰ ওপৰত মুগা ৰঙৰ গোল গোল ছাপ। বাপুকণ, মাইকণৰ ভীষণ স্ফূৰ্তি। নাম থ'ব খুজিছে— ফুটুকা-ফুটুকী আৰু ফুট্‌ফুটী। দদায়ে ক'লে— 'এনেকুৱা নামেৰে মেকুৰীক মাতিবলৈ দিগ্‌দাৰ। চুটি আৰু মিঠা নামহে ভাল হ'ব। মিচু, মাচু আৰু মিচি।' 'বঢ়িয়া—।' নাতিয়েকহালে উলাহেৰে সমৰ্থন কৰিলে।

দদায়ে আৰু ক'লে— 'ইহঁতকেইটাও ভাল চিকাৰী হ'ব। কিন্তু, ইমানকেইটা মেকুৰী ৰখা নাযায়। মাকৰ গাখীৰ এৰি ভাত খাব পৰা হ'লে দুঘৰ ভাল মানুহক দুটা পোৱালি দি দিম।'

'নিদিওঁ! নিদিওঁ!!'

'এতিয়াই নিদিওঁ নহয়। ডাঙৰ হওক। তইঁতো যেতিয়া ডাঙৰ হ'বি, বেলেগ ঠাইত কাম কৰিবলৈ যাব লাগিব। চাকৰি কৰিবি বুইছ। ভাল চাকৰি।'

'নহ'ব! নহ'ব!!'

'কিয় নহ'ব? সেইটোৱেই নিয়ম। মাকৰ কোলা কামুৰি চিৰদিন চলিব নোৱাৰে নহয় কোনো। যদি ডাঙৰ হৈ সিহঁতে ভালকৈ চিকাৰ কৰে, ভালমতে থাকে, য'তেই নাথাকক, মৰম পাবই পাব।'

মিচু, মাচু আৰু মিচি অকণ অকণকৈ ডাঙৰ হ'ব ধৰিছে। ঘৰৰ মজিয়াত, কাঁথিত, চোতালত দৌৰা দৌৰি খেলে, কছৰৎ কৰে। মাকে দীঘল নেজডাল লৰাই-চৰাই চিকাৰ ধৰাৰ কায়দা শিকায়। ঘৰৰ মানুহখিনিৰ ভৰিৰ কাষতে শুই পৰে। যেনিবা নিশ্চিন্ত নিৰাপদ শয়ন-শয্যা। এইটো ঘৰেই সিহঁতৰো ঘৰ। এই মানুহখিনিয়েই সিহঁতৰ আপোনজন।

তাৰ পিছত হঠাতে শেষ। দাউ-দাউকৈ জুই জ্বলিল। বাঁহৰ খুঁটাই ফুটিল, নে বন্দুকহে ফুটিল! ধুম্ ধুম্ শব্দ। কাৰো মাত কোনেও নুশুনে। চৰে চিঞৰিছে। কি চিঞৰিছে, কাক চিঞৰিছে, বুজা নাযায়।

কেৱল বুকু ফটা চিঞৰ।

দৌৰি দৌৰি কিমান দূৰ পালেগৈ মুগী? কিমান দূৰ পালেগৈ মিচু? মিচি? মাচু? কোন ক'লৈ গ'ল? কোন ক'ত হেৰাই থাকিল?

কাৰ পানী খোৱা পুখুৰীত কোনে বিহ ঢালে— কেৱে নাজানিলে। কেৱে নুবুজিলে। কেৱল বুজিছে— তিল্‌তিল্‌কৈ গঢ়ি তোলা ঘৰ-সংসাৰ ছাৰখাৰ।

হায় হায়! ছাৰখাৰ!!

জাবণিখনৰ ভিতৰত অকলে অকলে ঘুমুটিয়াই আছে মিচু। অকলে অকলে ঘুমুটিয়াই ফুৰিছে মাচুয়ো। হঠাতে এদিন দুয়োৰে দেখা হৈ গ'ল। ইটোৱে-সিটোক সুধিলে— 'মিচি ক'ত?'

'ক'ত আমাৰ আই?'

'আমাৰ ঘৰতে আছে কিজানি। বিচাৰি যাওঁ ব'ল।'

বহুত ঘূৰি-পকি, বহুবোৰ পোৰা ঘৰৰ ছাই গচকি গচকি এদিন ঘৰটোৰ ঠাইডোখৰ পালেগৈ। সন্দেহ হ'ল, ইয়াতে আছিলনে আমাৰ ঘৰ? পাক-ঘৰটো ক'ত? ভড়ালটো?

ধেৎ তেৰি। ভুল জাগাত আহিছো। নহয়— নহয়। ভুল হোৱা নাই। সেই খালটোলৈ চাচোন। আমাৰ খাল।

Scanned with OKEN Scanner

সেইটো চাচোন আমাৰেই বাচন ধোৱা ঘাট। বৌৱে এইখিনিতে বাচন ধুইছিল। অনাই-বনাই ঘূৰি ঘূৰি মিচু আৰু মাচু জাৰণিখনলৈ উভতি গ'ল। ভোকে-পিয়াহে লেবেজান। কিন্তু, পাক-ঘৰ ক'ত? ভড়াল ক'ত। মুগী নামৰ সিহঁতৰ মাকজনীয়ে বা ক'ত এতিয়া?

ইয়াত কেৱল জংঘল।

মিচু-মাচুই কথা পাতিছে— 'আমি ইয়াতে থাকিব লাগিব। হাবিৰ মাজতে খোৱা-বস্তু যোগাৰ কৰিব লাগিব। এতিয়া আমাক খুব চোকা দাঁতৰ দৰকাৰ।

খুব চোকা নখৰ দৰকাৰ।

বুকুত বহুত সাহ লাগিব।

বহুত খং লাগিব।

কূট-কৌশল আৰু হিংসা লাগিব।

মিচুই মাচুক বুজালে। মাচুই মিচুক। দাঁত, নখ শিলত ঘঁহি ঘঁহি ধাৰ দিলে। বুকুখন শিলৰ দৰে কৰিবলৈ ভোক লাগক বা নালাগক, যেতিয়াই-তেতিয়াই নিৰ্বলী জীৱবোৰক আক্ৰমণ কৰিলে। একো একোবাৰ চকুপানী ওলাই আহিব খোজে। ঘাঁহনিত ফৎকৈ মচি পেলায়। বলহীন জীৱবোৰক হত্যা কৰি ইটোৰে-সিটোক বাহ্‌বা দিয়ে। আৰু— আৰু কঠিন কৰ কোমল ছালে ঢাকি ৰখা তোৰ ধিপ্‌ধিপ্ বুকুখন। আত্মৰক্ষাৰ বাবে। ■